TESS India

# Pair work for language and literacy

# ভাষা আৰু সাক্ষৰতাৰ বাবে যুৰীয়া কাৰ্য





Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.

TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.

TESS-India is led by The Open University UK and funded by the UK government.

***Video resources***

Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.

The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.

TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.

Version 2.0 LL13v1
Assam

Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/

TESS-India is led by The Open University UK and funded by UK aid from the UK government

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

আপোনাৰ ভাষাৰ পাঠত যুৰীয়াভাৱে কৰিব পৰা (Pairwork) কামৰ পৰিকল্পনা আৰু পৰিচালনাৰ বিষয়ে এই গোটত আলোকপাত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে কৰিব পৰা বিভিন্নধৰণৰ কামৰ মাজেদি সহযোগী আৰু বন্ধুত্বপূৰ্ণ শিকনৰ সুযোগ দিয়াৰ ক্ষেত্ৰত যুৰীয়া কাৰ্য আপোনাৰ শিক্ষণৰ এটা ফলপ্ৰসূ কাৰ্য হ'ব পাৰে।

## এই গোটৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপোনাৰ ভাষাৰ পাঠত যুৰীয়া কাৰ্যৰ পৰিকল্পনা আৰু পৰিচালনা কেনেকৈ কৰিব।
- আপুনি কেনেকৈ শ্ৰেণীকোঠা পৰিচালনাৰ বাবে আপোনাৰ কৌশলৰ দক্ষতা (Repertoire) বঢ়াব।
- ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতাৰ বিকাশৰ মূল্যাংকন কৰোঁতে আপুনি কেনেকৈ যুৰীয়া কাৰ্যক সুযোগ হিচাপে গ্ৰহণ কৰিব।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

সকলো ক্ষেত্ৰতে মানুহে এটা কামৰ সমান্তৰালভাৱে আন এটা কামো কৰি থাকে। কথা কৈ থকা আৰু শুনি থকা, চাই থকা আৰু সমৰ্থন কৰি থকা, পৰামৰ্শ দিয়া আৰু সহযোগ কৰি থকা ইত্যাদি। এনেধৰণৰ সহযোগী আচৰণে ধাৰণা বা ভাৱৰ বিনিময় কৰাত উৎসাহিত কৰে আৰু কাম কৰাৰ বিভিন্ন পথৰ দুৱাৰ মুকলি কৰে। প্ৰত্যেকটো ক্ষেত্ৰতে যদি শ্ৰেণীকোঠাত কেৱল শিক্ষকজনেই কেন্দ্ৰবিন্দু বা মূল হিচাপে থাকে তেনেহ'লে আলোচনা কৰা, অনুসন্ধান কৰা, প্ৰ ্ন কৰা, পৰীক্ষা কৰাৰ সুযোগ ছাত্ৰ-ছাত্ৰীয়ে খুউব কমেইহে পাব আৰু স্বাভাৱিক তথা পাৰস্পৰিকভাৱেও শিকাৰ সুযোগ কমিব। আপোনাৰ ভাষাৰ পাঠত যুৰীয়া কাৰ্য ব্যৱহাৰ কৰি কথা-বতৰাৰ মাজেদি দিয়া শিকনৰ সুযোগ অতি ফলপ্ৰসূ পথ হ'ব পাৰে।

যুৰীয়া কাৰ্য সকলো বয়সৰ আৰু সকলো বিষয়ৰ বাবে প্ৰযোজ্য। কাৰণ ই বহু ছাত্ৰ-ছাত্ৰীক একে সময়তে একেলগে কথা পতাৰ সুযোগ দিয়ে আৰু বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীৰ বাবেও ই ফলপ্ৰসূ। ই সকলো সামৰি লয় কাৰণ ই সকলো ছাত্ৰ-ছাত্ৰীকে ভাব আদান-প্ৰদানৰ সুযোগ দিয়ে। ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুযায়ী আৰু সহযোগ কৰিব পৰাকৈ দলটো নমনীয় কৰি গঠন কৰিব পাৰে।

যি কি নহওক, আপুনি দল গঠনৰ বাবে যি পদ্ধতিয়ে ব্যৱহাৰ নকৰক কিয় অৰ্থাৎ ভাল ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক একেলগে নাইবা বিভিন্ন ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক একেলগে নাইবা একে ঘৰুৱা ভাষা কোৱা ছাত্ৰ-ছাত্ৰীক একেলগে নাইবা তেওঁলোকক খেলি-মেলিকৈ বহুৱায় তেনেহ'লে ই শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক গাঢ় কৰা আৰু শিকনক উদ্‌গনি দিয়াত প্ৰভাৱ পেলাব।

## ১) যুৰীয়া কাৰ্যক আপুনি কিয় ব্যৱহাৰ কৰিব লাগে? (1 Why should you use pair work?)

ভাষাৰ পাঠত যুৰীয়া কাৰ্য ব্যৱহাৰৰ বাবে ১ নং ত্ৰি য়া-কলাপে আপোনাক উৎসাহিত কৰিব

### ত্ৰি য়া-কলাপ ১ ঃ শ্ৰেণীকোঠাত যুৰীয়া কাৰ্য ব্যৱহাৰৰ বিষয়ে চিন্তন (Activity 1: Reflecting on using pair work in the classroom)

সম্ভৱ হ'লে সহকৰ্মীৰ লগত সমল ১ ত থকা 'যুৰীয়া কাৰ্যৰ ব্যৱহাৰ' (Using pair work) পঢ়িবলৈ আৰম্ভ কৰক। শিক্ষক হিচাপে পাঠটোত শিকিবৰ বাবে গুৰুত্বপূৰ্ণ কিবা যদি পায় তেন্তে তাৰ তলত আঁচ মাৰি যাওক।

অলপতে আপুনি শিকোৱা এটা বা দুটা পাঠৰ বিষয়ে ভাবক। এই পাঠবোৰে হয়তো ভাষা বা নিৰ্দিষ্ট এটা বিষয়ৰ ওপৰত আলোকপাত কৰিছে।

- তাত বাৰু যুৰীয়া কাৰ্যৰ বাবে সুযোগ আছিলনে? যদি আছিল সেইবোৰ কি আছিল?
- এইবোৰ যুৰীয়া কাৰ্য আপোনাৰ ছাত্ৰ-ছাত্ৰীক দি  কৰাইছিলনে? যদি কৰাইছিল সেইবোৰ কিমান সফল হৈছিল?
- যুৰীয়া কাৰ্য কৰোৱাৰ ক্ষেত্ৰত আপুনি যদি নতুন তেনেহ'লে আপোনাৰ শ্ৰেণীকোঠাত ইয়াক নিয়মিতভাৱে কৰাবৰ বাবে কি ভাবিছে?

**ভি.ডি.অ’. ঃ যুৰীয়া কাৰ্যৰ ব্যৱহাৰ (Video: Using pair work)**

## ২) যুৰীয়া কাৰ্য কৰোৱা পাঠৰ উদাহৰণ (2 Examples of lessons with pair work)

কবিতা লিখন কাৰ্যত যুৰীয়াভাৱে ছাত্ৰ-ছাত্ৰীক কামত লগোৱা এজন শিক্ষকৰ বিষয়ে আপোনালোকে প্ৰথমটো ঘটনা অধ্যয়নত পঢ়িবলৈ পাব।

### ঘটনা অধ্যয়ন ১ ঃ কবিতাৰ শ্ৰেণীত যুৰীয়া কাৰ্য (Case Study 1: Using pair work in a poetry class)

গুৱাহাটীৰ বাহিৰৰ এখন সৰু বিদ্যালয়ত জিৎ আচাৰ্যই কাম কৰিছিল। তেওঁৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল লিখন দক্ষতাৰ ক্ষেত্ৰত বিভিন্ন স্তৰত আছিল। ছাত্ৰ-ছাত্ৰীসকলক কবিতা লিখনৰ উদ্‌গনি দিবৰ বাবে তেওঁ কেনেকৈ যুৰীয়া কাৰ্য ব্যৱহাৰ কৰিছিল তাকে ইয়াত বৰ্ণনা কৰিছে।

মোৰ ছাত্ৰ-ছাত্ৰীসকলে কিছুমান কবিতাৰ সৰৱ পঠন কৰিছিল। তেওঁলোকে ইতিমধ্যে নিজে কিছুমান কবিতাও লিখিছিল। গতিকে এই কামটো মই যুৰীয়াভাৱে কৰাওঁ বুলি ভাবিলোঁ।

মই “arguments with friends” (বন্ধুৰ লগত যুক্তি তৰ্ক) বুলি এটা বিষয় বাছি ল’লো য’ত বন্ধুৰ লগত তৰ্ক কৰাৰ বিষয়ে কোৱা হয়। মই বিষয়টো তেওঁলোকক বুজাবৰ বাবে গোটেই শ্ৰেণীটোকে কেইটামান প্ৰ.শ্ন কৰিলোঁ ঃ যেনে -

- তোমাৰ বন্ধু এজনৰ লগত শেষবাৰৰ বাবে মতানৈক্য কেতিয়া ঘটিছিল?
- এইটো ডাঙৰকৈ নে সৰুকৈ ঘটিছিল?
- এইটো ঘটনাত তোমাৰ কেনেকুৱা অনুভৱ হৈছিল?
- মতানৈক্যৰ অন্ত পৰিলনে?
- যদি মতানৈক্য শেষ হ’ল তেন্তে সেইটো কেনেকৈ সম্ভৱ হ’ল? কিমানদিন তোমালোকৰ মাজত মতানৈক্য চলিছিল?
- যদি মতানৈক্য শেষ হোৱা নাই তেন্তে তুমি শেষ হ’ব বুলি এতিয়াও আশা কৰি আছানে?
- তোমালোকৰ মাজত আগৰদৰেই বন্ধুত্ব আছেনে?

বিষয়টোৰ ওপৰত যথেষ্ট আলোচনা চলিল। বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশগ্ৰহণ কৰিলে। তেওঁলোকে কোৱা কিছুমান শব্দ আৰু খণ্ডবাক্য মই ব’ৰ্ডত লিখি গ’লো যাতে তেওঁলোকে তেওঁলোকৰ লিখনিৰ ব্যৱহাৰ কৰিব পাৰে।

তাৰপাছত মই তেওঁলোকক ‘The Argument’ নামৰ কবিতা এটা দুজনে দুজনে মিলি লিখিবলৈ দিলোঁ। মই তেওঁলোকক সুধিয়ে দুজনীয়া দল গঠন কৰি দিলোঁ আৰু একেসময়তে কবিতাটো লিখি শেষ কৰিবলৈকো ক’লো। ৩০ মিনিটৰ পাছত তেওঁলোকৰ প্ৰতিটো দলৰ পৰা এজনক আহি আহি লিখা কবিতাবোৰ পাঠ কৰিবলৈ ক’লো। কিছুমানৰ আধা লিখা হৈছিল যদিও পাঠ কৰিবলৈ দিলোঁ। তেওঁলোকৰ মাজৰ এটা দলে লিখা কবিতা আছিল এনেধৰণৰ ঃ

**‘The Argument’**

I had an argument with my friend Amvi
We were near a temple when she said something to an old man
He was poor and dirty
But my friend was unkind to him
I said she was wrong to say what she did
She said she didn’t care
I felt sorry for the man
I walked away alone

ছাত্ৰ-ছাত্ৰীসকলে পৰিস্থিতি, তেওঁলোকৰ অভিজ্ঞতাৰ অনুভৱ আৰু বুজাবুজিক লৈয়ে কবিতাবোৰ লিখিছিল। যুৰীয়াভাৱে পতা কথা বতৰাই তেওঁলোকক নিজৰ ভাব-চিন্তাৰ বিনিময় কৰাত সহায় কৰিলে আৰু সেইবোৰ লিখনত কেনেকৈ ব্যৱহাৰ কৰিব সেয়াও জানিলে।

মই যেতিয়া যুৰীয়া কাৰ্য দিওঁ, তেতিয়া মই সৰু, কম সময়ত হোৱা কাম দিওঁ যাতে তেওঁলোকে কাৰ লগত কাম কৰিবলৈ দিয়া হ'ল বুলি ভবাতকৈ কামটো নিৰ্দিষ্ট সময়ত শেষ কৰি দিয়াৰ ওপৰতহে বেছি মনোনিৱেশ কৰে। মই মন কৰিছিলোঁ যে এনেকৈ কাম কৰাত তেওঁলোক অভ্যস্ত হৈ পৰিছিল।

**চিন্তন** (Pause for thought)

- যুৰীয়া কাৰ্যৰ বাবে 'The Argument' বিষয়টোৰ নিৰ্বাচন সঠিক বুলি ভাবেনে? এই বিষয়টোৰ বাছনিয়ে কিবা খেলি মেলি লগাব নেকি?
- ১ নং সমলত পঢ়া বিষয়ৰ বিষয়ে এবাৰ উভতি চাওক। জিৎ আচাৰ্যৰ পাঠটো বাৰু সকলোকে সামৰি ল'ব পৰা আছিল বুলি ভাবে? তেওঁ কেনেকৈ জানিব যে, তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীৰ আলোচনা আৰু যুৰীয়া লিখন কাৰ্যৰ অংশ বুলি নিজকে ভাবিলে?
- আপুনি যদি এই পাঠটো পঢ়ালেহেঁতেন আপুনি লিখিত কাৰ্যৰ বাবে কেনেকৈ যোৰবোৰ সংগঠিত কৰিলেহেঁতেন? একেধৰণৰ সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীক একেলগে দিলেহেঁতেন নে বেলেগ বেলেগ স্তৰৰ (সফলতাৰ ভিত্তিত) ছাত্ৰ-ছাত্ৰীক দিলেহেঁতেন, নে একে ঘৰুৱা ভাষা কোৱা ছাত্ৰ-ছাত্ৰীক একেলগে দিলেহেঁতেন নে বন্ধুত্বৰ ভিত্তিত দিলেহেঁতেন? নে খেলিমেলিকৈ দিলেহেঁতেন? আপোনাৰ পছন্দৰ সপক্ষে যুক্তি দাঙি ধৰক।
- কবিতা লিখাৰ এই কামত অংশগ্ৰহণৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ নাই বা আত্মবিশ্বাস কম সেইসকল ছাত্ৰ-ছাত্ৰীক আপুনি কেনেকৈ উৎসাহিত কৰিব?

পাছৰটো ঘটনা অধ্যয়নত এজন শিক্ষকে এটা লিখিত কামৰ বাবে যুৰীয়াভাৱে সংলাপ প্ৰস্তুত কৰায়।

## ঘটনা অধ্যয়ন ২ ঃ নেউল আৰু ফেঁটী সাপ (Case Study 2: The mongoose and the cobra)

অঞ্জু শইকীয়া বিজনিৰ এখন স্কুলৰ শিক্ষয়িত্ৰী। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁ কৰা এটা যুৰীয়া কামৰ বিষয়ে ইয়াত বৰ্ণনা কৰিছে।

মোৰ ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় জীৱ-জন্তুৰ বিষয়ে শিকিছে। তেওঁলোকে জানে যে নেউলে পোক-পৰুৱা, চৰাই, কেঁচু, সাপ, জেঠী আৰু কেকোঁৰা খায়। সিহঁত খুউব বেগী। সিহঁতৰ ডাঠ নোমৰ আৱৰণে সিহঁতৰ সৰ্প বিষ প্ৰতিৰোধ কৰে। সিহঁতে জানে যে ফেঁটীসাপে ডাঙৰকৈ ফেঁট তোলে। সিহঁতে বিপদকালত ফোঁচ ফোঁচ কৰি জাননী দিয়ে। ফেঁটী সাপে অন্য সাপ, সৰু জন্তু আৰু চৰাই খায়।

মই এই বিষয়টোৰ লগত মিলাই এটা ভাষাৰ পাঠ প্ৰস্তুত কৰিলোঁ। মই ছাত্ৰ-ছাত্ৰীক নেউল আৰু ফেঁটী সাপৰ মুখাবয়বৰ বিষয়ে কি মনত আছে সুধি মোৰ পাঠ আৰম্ভ কৰিলোঁ। মোৰ প্ৰশ্নবোৰ আছিল---

- সেইবোৰ দেখিবলৈ কেনেকুৱা?
- সিহঁতে কি খায়?
- নেউলে ফেঁটী সাপক লগ পালে কেনেকুৱা প্ৰতিক্ৰিয়া দেখুৱায়?'

quick, chiss, coat warning আৰু venom আদি মূল শব্দবোৰ মই ব'ৰ্ডত লিখি গ'লো। পাঠটোৰ এইখিনি কাম কৰোতে ১৫ মিনিট সময় লাগিল।

তাৰপাছত মই প্ৰতিজনকে পাছৰ জনৰ লগত যোৰ বান্ধিবলৈ দিলোঁ। এজনক নেউল আৰু আনজনক সাপ হ'বলৈ দিলোঁ। তাৰপাছত জংঘলত দুয়োটাই লগ পালে কেনেকৈ কথা পাতিব ভাবিবলৈ ক'লো। দুয়োটা প্ৰাণীৰ মাজত সংলাপ ৰচনাৰ বাবে মই ১৫ মিনিট সময় দিলোঁ। তেওঁলোকক বেলেগ বেলেগ মাত উলিয়াই অংগ-ভংগীও ইচ্ছা কৰিলে কৰিব পাৰিব বুলি কৰিবলৈ সন্মতি দিলোঁ। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সংলাপৰ বাবে ঘৰুৱা ভাষা আৰু বিদ্যালয়ৰ ভাষা মিহলি কৰি ব্যৱহাৰ কৰিব বিচাৰিলে। তেওঁলোকে কাম কৰি থাকোঁতে মই তেওঁলোকক নিৰীক্ষণ কৰি থাকিলোঁ আৰু তেওঁলোকৰ অনুৰোধ মৰ্মে মূল শব্দ কিছুমান ব'ৰ্ডত লিখি গ'লো। বহু ছাত্ৰ-ছাত্ৰীয়ে জীৱ-জন্তুৰ মাতৰ দৰে মাত উলিয়াই কথা পাতিছিল।



চিত্ৰ ১ ঃ ‘নেউল আৰু ফেঁটী সাপৰ’ ত্ৰি য়া-কলাপত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী

তাৰপাছত যোৰ যোৰকৈ তেওঁলোকক স্ব-ইচ্ছাই শ্ৰেণীৰ সন্মুখলৈ আহি অভিনয় কৰিবলৈ দিলোঁ। কিছুমান লাজকুৰীয়া ছাত্ৰ-ছাত্ৰীক মই উৎসাহিত কৰিবলৈ যত্ন কৰিছিলোঁ। বাকীবোৰ ছাত্ৰ-ছাত্ৰীয়ে মনোযোগ দি লগৰবোৰৰ অভিনয় চাইছিল আৰু চাপৰি বজাইছিল। ঘৰুৱা ভাষাত যেতিয়া কোনোবা দুজনীয়া দলৰ ছাত্ৰ-ছাত্ৰীয়ে সংলাপ মাতিছিল তেতিয়া সেইবোৰ স্কুলৰ ভাষালৈ অনুবাদ কৰিবৰ বাবে মই শ্ৰেণীৰ বেলেগ ছাত্ৰ-ছাত্ৰীক মাতি কৈছিলোঁ। ৩০ মিনিট সময় তেওঁলোকক উপস্থাপনৰ বাবে দিছিলোঁ। ত্ৰি য়া-কলাপটো সামৰণিলৈ আনিবৰ বাবে তেওঁলোকৰ সংলাপবোৰ মই তেওঁলোকৰ বহীত লিখিবলৈ দিছিলোঁ আৰু ইচ্ছা কৰিলে ছবিৰেও বুজাবলৈ দিছিলোঁ। এই কামটো শেষ কৰিবৰ বাবেও মই তেওঁলোকক ১৫ মিনিট দিছিলোঁ।

## **চিন্তন** (Pause for thought)

- অঞ্জুৱে পাঠটোৰ বিভিন্ন কামৰ বাবে দিয়া সময় বিদ্যালয়ৰ বাবে ঠিকেই আছিলনে? দুটা পাঠত কামখিনি ভগাবলৈ আপুনি সময়টো কেনেকৈ মিলাব?
- ঘৰুৱা ভাষা ব্যৱহাৰ কৰা ছাত্ৰ-ছাত্ৰীসকলক অন্য কি ধৰণেৰে অঞ্জুৱে সহায় কৰিব পাৰিলেহেঁতেন?
- পাঠত প্ৰতিটো অংশত কেনেকৈ অঞ্জুৱে ছাত্ৰ-ছাত্ৰীক নিৰীক্ষণ, মূল্যাংকন আৰু সমৰ্থন আগবঢ়াইছিল লিখি ৰাখক।
- অঞ্জুৱে ছাত্ৰ-ছাত্ৰীক পৰ্যৱেক্ষণ কৰোঁতে কিহত দৃষ্টি ৰাখিছিল বুলি ভাবে?

এই কথোপকথন আৰু লিখনৰ মাজত অঞ্জুৱে কেনেকৈ পঠন কাৰ্যকো মিলাব পাৰিলেহেঁতেন? একোজন ছাত্ৰ-ছাত্ৰীক নিৰীক্ষণ আৰু মূল্যাংকন কৰিবৰ বাবে যুৰীয়া কাৰ্যই বহুতো সুযোগ দিয়ে। নিৰীক্ষণ বুলিলে আমি এনেকৈ ভাবিব পাৰোঁ যে,

- শিক্ষকে শ্ৰেণীৰ চাৰিওফালে ঘূৰা পকা কৰা, পৰ্যৱেক্ষণ কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ কথা শুনা।
- নিৰ্দেশনামতে বুজোৱাৰ দৰে প্ৰত্যেকেই বুজি পাইছেনে আৰু পৰিকল্পনামতে কাম কৰিছেনে নিশ্চিত কৰা।
- শিক্ষকে সহযোগী মনোভাৱ থকা ছাত্ৰ-ছাত্ৰীৰ নাম লিখি ৰখা।
- শিক্ষকে প্ৰশংসা, সমৰ্থন আৰু উৎসাহ উদ্‌গনি যোগাৱা।
- সাধাৰণতে কৰা ভুলবোৰ চিনাক্ত কৰা।




চিত্ৰ ২ ঃ যুৰীয়া কাৰ্যৰ নিৰীক্ষণ

আনহাতে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ বিকাশৰ ক্ষেত্ৰত মূল্যায়নক সম্পৰ্কিত কৰিব পাৰি। যেনে -

- তেওঁলোকে ঘৰুৱা বা বিদ্যালয়ৰ ভাষাত কথা কওঁতে কিমান সঠিকভাৱে শব্দৰ ব্যৱহাৰ আৰু ভাব প্ৰকাশ কৰিব পাৰিছে
- তেওঁলোকে কোৱা কথাবোৰক লিখিত ৰূপলৈ নিব পৰাৰ দক্ষতা
- যুৰীয়াভাৱে কৰা সহযোগী কামলৈ তেওঁলোকে আগবঢ়োৱা অৱদানৰ প্ৰকৃতি
- তেওঁলোকে কৰা কল্পনা শক্তিৰ প্ৰয়োগ
- তেওঁলোকে সহপাঠীৰ সন্মুখত নিজৰ দক্ষতা প্ৰকাশ কৰাৰ ক্ষমতা

মূল সমল "প্ৰগতি আৰু সফলতা" ৰ মান নিৰূপণে আপোনালোকৰ ছাত্ৰ-ছাত্ৰীক শ্ৰেণীত মান নিৰূপণ কৰাৰ অন্যান্য পৰামৰ্শ দিয়ে



**ভি. ডি. অ'ঃ** প্ৰগতি আৰু সফলতাৰ মান নিৰূপণ (Video: Assessing progress and performance)

## ৩) যুৰীয়া কাৰ্যৰ বাবে পাঠ পৰিকল্পনা (3 Planning a pair work lesson)

এতিয়া ২ নং ক্ৰিয়া-কলাপটো চেষ্টা কৰক।

### ক্ৰিয়া-কলাপ ২ ঃ যুৰীয়া কাৰ্যৰ বাবে পাঠ পৰিকল্পনা (Activity 2: Planning a pair work lesson)

এই ক্ৰিয়া-কলাপত আপুনি এটা পাঠৰ পৰিকল্পনা কৰিব। চাব যাতে যুৰীয়া কাৰ্য ২০ মিনিটতকৈ বেছি সময়ৰ নহয়। সমল ১ ৰ উদাহৰণত দিয়া কামৰ নক্সা পুনৰালোচনা কৰক--

- ভবা-দুজনীয়া দল গঠন-বিনিময়
- তথ্যৰ (Information) বিনিময়
- দক্ষতা অনুশীলন যেনে- শ্ৰৱণ
- নিৰ্দেশ পালন
- গল্প, কাহিনীকথন বা অভিনয়, ভাও লোৱা

সমল ১ আৰু ঘটনা অধ্যয়ন ১, ২ ত সন্নিবিষ্ট কৰা ধাৰণা (Idea) আৰু পথ প্ৰদৰ্শনক (guidance) ভিত্তি কৰি আপুনি এটা বিষয়বস্তু পছন্দ কৰক। আপুনি এনেকুৱা বিষয়বস্তু লওক যাতে ছাত্ৰ-ছাত্ৰীয়ে বিষয়বস্তুটোৰ বিষয়ে কথা পাতিবলৈ আৰু লিখিবলৈ উদ্‌গনি পায়। শ্ৰেণীৰ ভাষা বা সাক্ষৰতাৰ কিতাপক ভিত্তি কৰিও আপুনি বিষয়বস্তু ল'ব পাৰে নাইবা অন্য বিষয় লৈও কৰিব পাৰে। সমাজত ঘটি যোৱা কিবা ঘটনা, নাইবা স্থানীয় খবৰ বা জাতীয় কিবা বাতৰিও আপোনাৰ বিষয়বস্তু হ'ব পাৰে। যুৰীয়া কাৰ্য কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীয়ে কি পঢ়ি অনুপ্ৰাণিত হ'ব পাৰে সেইটো কৰিবলৈ দিয়ক নাইবা ইয়াৰ পাছত পঠনৰ কি সুবিধা পাব মন কৰক।




চিত্ৰ ৩ ঃ যুৰীয়া কাৰ্যৰ এটি পাঠ পৰিকল্পনা

আৰম্ভণিতে আপোনাৰ শ্ৰেণীটোক প্ৰস্তুত কৰি লোৱাতো গুৰুত্বপূৰ্ণ -

১) আপুনি ছাত্ৰ-ছাত্ৰীক দুজনীয়া দলত বহিবলৈ দিয়াৰ আগতেই তেওঁলোকে কি কৰিব সেই বিষয়ে ছাত্ৰ-ছাত্ৰীক বুজাই কওক।

২) ছাত্ৰ-ছাত্ৰীৰ পৰা আপুনি প্ৰকৃততে কি বিচাৰিছে সেইটো কোনো ছাত্ৰৰ সহায়ত তেওঁলোকক কৰি দেখুৱাওক।

৩) আপুনি কৰি দেখুওৱাৰ পাছত কেইজনমান ছাত্ৰ-ছাত্ৰীক মাতি আনি পুনৰ কাৰ্য কৰিবলৈ দি তেওঁলোকে বুজি পাইছেনে নাই বুজ লওক। তেওঁলোকে যদি নিজৰ ঘৰুৱা ভাষাত কৰিব বিচাৰে কৰিবলৈ দিব।

৪) যুৰীয়া কাৰ্যত কিমান সৰুকৈ কথা পাতিব লাগে আপুনি এবাৰ কৰি দেখুৱাওক। এটা সীমিত স্তৰত হুলস্থুল কৰাটোৱে ছাত্ৰ-ছাত্ৰী যে, কামটোত লাগিছে তাৰ প্ৰমাণ কৰে।

৫) কামটোৰ বাবে এটা স্পষ্ট সময় নিৰ্দ্ধাৰণ কৰক। ছাত্ৰ-ছাত্ৰীক কাম শেষ কৰিবৰ বাবে আপুনি হাতেৰে বা সংকেত ধ্বনিৰে ইংগিত দিব।

৬) ছাত্ৰ-ছাত্ৰীক যোৰ বান্ধি দিয়ক অৰ্থাৎ দুজনকৈ গোট কৰাওক। এইটো কেনেকৈ কৰিব আগতেই ভাবক। কোনোজনেই যাতে লগৰজনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে বা ইজন ছাত্ৰই যাতে সিজনৰ দ্বাৰা প্ৰভাৱিত হ'বলগীয়া নহয় সেইটো নিশ্চিত কৰক।

৭) যদি সম্ভৱ হয় যোৰবোৰক শ্ৰেণীৰ বেলেগ বেলেগ ঠাইত বহুৱাওক নাইবা কিছুমানক বাহিৰলৈ পঠিয়াওক।

৮) সোনকালে কাম শেষ কৰা যোৰৰ বাবে অতিৰিক্ত কামৰ কথা ভাবি থওঁক।

৯) ছাত্ৰ-ছাত্ৰীয়ে কাম কৰি থাকোতে নিৰীক্ষণ কৰক, কথাবতৰাবোৰ শুনক আৰু যোৰ হিচাপে তেওঁলোকক পৰ্যৱেক্ষণ কৰি প্ৰয়োজন হ'লে সহায় কৰক।

১০) মাত্ৰ কেইজনমান ছাত্ৰ-ছাত্ৰী নিৰ্বাচন কৰি লওক আৰু কাম কৰি থাকোঁতে তেওঁলোকে কৰা ভাষাৰ ব্যৱহাৰৰ মান নিৰূপণ কৰক যাতে ভৱিষ্যতৰ পাঠত অন্যক মান নিৰূপণ কৰিব পাৰে।

১১) পুনৰ কথাবোৰৰ প্ৰতিপুষ্টিৰ (Feedback) বাবে শ্ৰেণীটোক সময় দিয়ক। সম্ভৱ হ'লে পাঠৰ শেষত বা পাছদিনা কেইজনমান ছাত্ৰক তেওঁলোকৰ কামৰ বিনিময় কৰিবলৈ দিয়ক। নিজৰ কামৰ উপস্থাপন কৰা কাৰ্যই আৰু অইনে কি কৰিলে শুনা ছাত্ৰ-ছাত্ৰীৰ বাবে এইটো অতিৰিক্ত মূল্যৱান শিকনৰ সুযোগ। এজনে সিজনৰ কামৰ লিখিত বিৱৰণ পঢ়াটোও শিকনৰেই সুযোগ।

## ত্ৰি য়া-কলাপ ৩ ঃ যুৰীয়া কাৰ্যৰ সুবিধা আৰু অসুবিধা (Activity 3: The advantages and disadvantages of pair work)

আপুনি যুৰীয়া ত্ৰি য়া-কলাপ সম্পাদনৰ চেষ্টা কৰাৰ পাছত ইয়াক কেনেকৈ কৰিলে তাৰ পুনৰালোচনা কৰক। আপুনি পাৰে যদি সহকৰ্মীৰ লগত আপোনাৰ অভিজ্ঞতা বিনিময় কৰক। ১ নং টেবুলত দিয়া মন্তব্যৰ কোনোবাটো যদি আপুনি ব্যৱহাৰ কৰিছে তেন্তে চিহ্ন দিয়ক, আৰু যদি অতিৰিক্ত ভাৱে আপুনি কিবা যোগ দিব খুজিছে তেনেহ'লে যোগ দিয়ক।

**টেবুল ১** ঃ যুৰীয়া কাৰ্যৰ সুবিধা আৰু অসুবিধাসমূহ

| **যুৰীয়া কাৰ্যৰ লাভালাভ** | | **যুৰীয়া কাৰ্যৰ সমস্যা** | |
|---|---|---|---|
| গতানুগতিক এটা পাঠতকৈ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে কথা ক'বলৈ বেছি সময় পায়। | | যুৰীয়াভাৱে কাম কৰাত ছাত্ৰ-ছাত্ৰীসকল অভ্যস্ত নহয় বাবে তেওঁলোকে যথেষ্ট সহায় আৰু সমৰ্থন বিচাৰে। | |
| ইজনে-সিজনক ভালকৈ নজনা ছাত্ৰ-ছাত্ৰীৰ মাজত এটা ইতিবাচক সম্পৰ্ক গঢ়ি তুলি সহযোগী আৰু বন্ধুত্বপূৰ্ণ শিকনৰ বাবে উৎসাহিত কৰে। | | কৰিবলগীয়া কামটোতকৈ তেওঁলোকে বাহিৰা কথাহে বেছিকৈ পাতে। | |
| একেটা কামৰ পৰাই বিভিন্ন কাল্পনিক সৃষ্টিৰ বাবে উৎসাহিত হয়। | | বেছি হুলস্থুল হয়। | |
| ছাত্ৰ-ছাত্ৰীয়ে কাম কৰি থকা সময়তেই তেওঁলোকক নিৰীক্ষণ আৰু সহায় কৰিবলৈ সুবিধা প্ৰদান কৰে। | | বিচৰা মতেই ইজনে-সিজনক সদায় নিজৰ দলৰ অংশীদাৰ হিচাপে নাপায়। | |
| | | কাম শেষ কৰাৰ সময়টো যুৰীয়া দল বিলাকৰ বেলেগ বেলেগ হয়। | |
| | | শিক্ষকে অধিক মনোযোগ আৰু তত্বাবধান দিয়াৰ প্ৰয়োজন হয়। | |

যুৰীয়া কাৰ্যৰ পৰা হোৱা লাভৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক কৈ আপুনি পোৱা কিছুমান সমস্যা কমাব পাৰে। এই বিষয়ত আপুনি তেওঁলোকৰ ঘৰুৱা ভাষাও ব্যৱহাৰ কৰিব পাৰে আৰু লাহে লাহে এনেধৰণৰ কামৰ প্ৰতি তেওঁলোকক সহজ কৰি তুলিব পাৰে। প্ৰতিটো পাঠৰ আগত যুৰীয়া কাৰ্যৰ পৰিকল্পনা কৰক যিটোৱে ছাত্ৰ-ছাত্ৰীক পাঠ বুজাত যথেষ্ট সহয় কৰিব। পৰিস্থিতি আৰু আপোনাৰ পৰ্যৱেক্ষণৰ ভিত্তিত বিভিন্নধৰণৰ যুৰীয়া কাৰ্য পৰিস্থিতিৰ লগত খাপ খোৱাকৈ ব্যৱহাৰ কৰক।

যুৰীয়া কাৰ্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনোভাৱ ইতিবাচক নে নেতিবাচক আপুনি জানি ল'ব পাৰে। কিন্তু এনেবোৰ আলোচনা সাৱধানেৰে কৰাটো গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনো।

## ৪) সাৰাংশ (4 Summary)

ভাষাৰ পাঠ এটাত আপুনি যুৰীয়া কাৰ্যৰ পৰিকল্পনা আৰু পৰিচালনা কেনেকৈ কৰিব পাৰিব সেইবিষয়ে এই গোটত আলোকপাত কৰা হৈছে। বিভিন্নধৰণৰ কামৰ মাজেদি বন্ধুত্বপূৰ্ণ আৰু সহযোগী শিকনৰ সুযোগ দিয়াৰ ক্ষেত্ৰত যুৰীয়া কাৰ্য আপোনাৰ শিক্ষণৰ বাবে এটা ফলপ্ৰসূ আঁহিলা হ'ব পাৰে।

## সমলসমূহ (Resources)

## সমল ১ ঃ যুৰীয়া কাৰ্যৰ ব্যৱহাৰ (Resource 1: Using pair work)

দৈনন্দিন পৰিস্থিতিত মানুহে এটা কামৰ লগত আন কামো কৰি থাকে। যেনে- কথা কৈ থাকোঁতে আনৰ কথা শুনিও থাকে আৰু কোনোবাই কি কাম কৰিছে, কেনেকৈ কৰিছে চাইও থাকে। মানুহে এনেকৈয়ে শিকে। আমি আনৰ লগত কথা পাতি থাকোঁতে

বিভিন্নধৰণৰ নতুন ধাৰণা বা খবৰ পাওঁ। শ্ৰেণীকোঠাবোৰতো যদি সকলো কথা শিক্ষকৰ ওপৰতে কেন্দ্ৰীভূত হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে প্ৰ.ন সুধিবলৈ, নিজৰ দক্ষতা প্ৰকাশ কৰিবলৈ বা কিবা চেষ্টা কৰিবলৈ যথেষ্ট সময় নাপায়। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে খুউব চমু উত্তৰ দিব পাৰে আৰু কিছুমানে একো উত্তৰ নিদিবও পাৰে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীকোঠাবোৰৰ পৰিৱেশ আৰু শোচনীয়। ইয়াত খুউব কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে কথা কয়।

## যুৰীয়া কাৰ্য কিয় ব্যৱহাৰ কৰিব লাগে? (Why use pair work?)

কথনৰ সুবিধা আৰু বেছিকৈ শিকিবৰ বাবে যুৰীয়া কাৰ্য হৈছে এটা স্বাভাৱিক উপায়। যুৰীয়া কাৰ্যই ছাত্ৰ-ছাত্ৰীক ভাবিবলৈ সুবিধা দিয়ে, অনুমানৰ লগতে নতুন ভাষা শিকিবলৈ যত্ন কৰাৰ সুযোগ দিয়ে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণী এটাতো যুৰীয়া কাৰ্যই নতুন চিন্তা আৰু দক্ষতাৰে ভালকৈ কাম কৰাৰ এটা সুবিধাজনক উপায় দিয়ে। সকলো বিষয় আৰু বয়সৰ বাবেই যুৰীয়া কাৰ্য উপযোগী। এইটো বিশেষভাৱে বহুভাষী, বহু স্তৰৰ শ্ৰেণীৰ বাবে ব্যৱহাৰোপযোগী হয়। কাৰণ ইয়াত এটা দুজনীয়া দলে আনটো দলক সহায় কৰিব পৰাকৈ সজাই ল'ব পাৰি। বিশেষ একোটা কামৰ বাবে আপুনি যেতিয়া পৰিকল্পনা কৰে, তেতিয়া এই যুৰীয়া কাৰ্য বেছি ফলদায়ক হয়। আকৌ আপুনি যেতিয়া সকলো ছাত্ৰ-ছাত্ৰীয়েই শিকনৰ যোগেদি আগবাঢ়ি যোৱাতো নিশ্চিত কৰিবৰ বাবে ৰুটিন প্ৰস্তুত কৰি যুৰীয়া কাৰ্য পৰিচালনা কৰে, তেতিয়াও ই বেছি ফলপ্ৰসূ হয়। এনেদৰে যুৰীয়া কাৰ্য এবাৰ যদি আপুনি তেওঁলোকৰ মনত বহুৱাই ল'ব পাৰে নাইবা শ্ৰেণীকোঠাত গ্ৰহণযোগ্য কৰি তুলিব পাৰে তেন্তে ছাত্ৰ-ছাত্ৰীও যুৰীয়া কাৰ্যত অভ্যস্ত হ'ব আৰু এনেদৰে শিকন কাৰ্যও আনন্দেৰে উপভোগ কৰিব।

## যুৰীয়া কাৰ্যৰ বাবে কাম (Tasks for pair work)

শিকনৰ প্ৰতি লক্ষ্য ৰাখি এটা আকাংক্ষিত ফলাফলৰ বাবে আপুনি বিভিন্নধৰণৰ যুৰীয়া কাম কৰাব পাৰে। যুৰীয়া কাৰ্য সদায় সঠিক আৰু স্পষ্ট হ'ব লাগে যাতে অকলে কৰা কামতকৈ যুৰীয়াভাৱে কৰা কামত ছাত্ৰ-ছাত্ৰীয়ে বেছি শিকিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে অনুমান কৰা বা ধাৰণা কৰা কথাবোৰৰ বিষয়ে কথা পাতিবলৈ পালে তেওঁলোকে নিজে নিজেই শিকি যাব আৰু পৰ্যায়ত্ৰ মে নিজকে বিকাশৰ পথত আগবঢ়াই নিব পাৰিব।

যুৰীয়া কাৰ্যৰ বাবে কাম

- **অকলে ভবা-যুৰীয়াভাৱে ভবা- ভাব বিনিময় কৰা (Think–pair–share)** ঃ ছাত্ৰ-ছাত্ৰীক নিজকে কোনো এটা বিষয় বা সমস্যাৰ বিষয়ে ভাবিবলৈ দিয়ক আৰু সম্ভাব্য উত্তৰৰ বাবে যুৰীয়াভাৱে কাম কৰিবলৈ দিয়ক। তাৰপাছত অন্যান্য ছাত্ৰ-ছাত্ৰীৰ লগত নিজৰ উত্তৰৰ বিনিময় কৰিবলৈ দিয়ক। বানান, সংখ্যা গণনা বা যোগ-বিয়োগ কৰা, ক্ৰম অনুযায়ী বস্তু ৰখা, বিভিন্নধৰণৰ মতামত প্ৰকাশ কৰা, কোনো কাহিনীৰ চৰিত্ৰৰ ভাও লোৱা ইত্যাদি।
- **তথ্য বা খা-খবৰৰ বিনিময় (Sharing information)** ঃ শ্ৰেণীটোৰ আধা ছাত্ৰ-ছাত্ৰীক এটা বিষয়ৰ এটা দিশৰ ওপৰত বা-বাতৰি দিয়ক। বাকী আধা ছাত্ৰ-ছাত্ৰীক বিষয়টোৰ লগত জড়িত বেলেগ দিশৰ বিষয়ে আলোচনা কৰিবলৈ দিয়ক। তাৰপাছত তেওঁলোকক তথ্য বা খা-খবৰৰ বিনিময়ৰ বাবে বা কোনো সমস্যা সমাধান কৰি এটা সিদ্ধান্তলৈ আহিবৰ বাবে যুৰীয়াভাৱে কামত লাগিবলৈ দিয়ক।
- **শ্ৰৱণ দক্ষতাৰ অনুশীলন (Practising skills such as listening)** ঃ এজন ছাত্ৰই এটা সাধু পঢ়িব আৰু আন ছাত্ৰ-ছাত্ৰীসকলে প্ৰ.ন সুধিব। এজন ছাত্ৰই ইংৰাজীত এটা দফা পঢ়িব আৰু আন ছাত্ৰ-ছাত্ৰীসকলে ইয়াক লিখিবলৈ যত্ন কৰিব। এজন ছাত্ৰই এখন ছবি আঁকিব বা এটা স্তম্ভ লেখাৰ বিষয়ে বৰ্ণনা কৰিব আৰু আন ছাত্ৰ-ছাত্ৰীসকলে এই বৰ্ণনাৰ ভিত্তিত পুনৰ ছবি আঁকিবলৈ চেষ্টা কৰিব।
- **নিৰ্দেশনাবোৰৰ অনুসৰণ (Following instructions)** ঃ এজন ছাত্ৰই নিৰ্দেশনাবোৰ পঢ়িব আৰু আন ছাত্ৰ ছাত্ৰীসকলে নিৰ্দিষ্ট কাৰ্য সম্পূৰ্ণ কৰিব।
- **সাধু কোৱা আৰু অভিনয় কৰা (Storytelling or role play)** ঃ এটা সাধু সৃষ্টি কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে যুৰীয়াভাৱে কাম কৰিব পাৰে নাইবা তেওঁলোকে শিকি থকা ভাষা এটাৰে সংলাপ সৃষ্টি কৰিব পাৰে।

## সকলোকে সামৰিবলৈ যুৰীয়া কাৰ্যৰ পৰিচালনা (Managing pairs to include all)

যুৰীয়া কাৰ্যত সকলোকে জড়িত কৰা হয়। বিভিন্নধৰণৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যুৰীয়া কাৰ্য পৰিচালনা কৰোঁতে কেইটামান কথা ভালকৈ মন কৰিব লাগিব যাতে তেওঁলোকে বুজি পায় — তেওঁলোক প্ৰত্যেকেই কি কৰিব লাগিব, তেওঁলোকে কি শিকি আছে আৰু আপুনি তেওঁলোকৰ পৰা কি আশা কৰিছে। আপোনাৰ শ্ৰেণীকোঠাত যুৰীয়া কাৰ্যৰ ৰুটিন স্থায়ী কৰি ল'বৰ বাবে আপুনি তলত দিয়া কাৰ্যবোৰ কৰা উচিত —

- ছাত্ৰ-ছাত্ৰীসকলৰ যুৰীয়া কাৰ্য পৰিচালনা কৰক। কেতিয়াবা ছাত্ৰ-ছাত্ৰীয়ে বন্ধুৰ মাজত যুৰীয়া কাৰ্য কৰিব আৰু কেতিয়াবা নকৰিব। ছাত্ৰ-ছাত্ৰীৰ শিকনৰ পৰিমাণ পৰ্যাপ্ত কৰি তুলিবৰ বাবে আপুনি তেওঁলোকে কাৰ লগত যুৰীয়া কাৰ্য কৰিব সেই কথা বুজি পোৱাতো নিশ্চিত কৰক।
- প্ৰত্যাহ্বান হিচাপে লৈ কেতিয়াবা আপুনি বিভিন্ন ভাষা আৰু বেলেগ বেলেগ দক্ষতা থকা ছাত্ৰ-ছাত্ৰীক দুজনীয়া দলত বহুৱাব যাতে তেওঁলোকে ইজনে সিজনক সহায় কৰিব পাৰে। আন সময়ত একে স্তৰৰ ছাত্ৰ-ছাত্ৰীক যুৰীয়া কাৰ্য কৰিবলৈ দিব।
- আপুনি যাতে ছাত্ৰ-ছাত্ৰীৰ দক্ষতা জানিব পাৰে আৰু তাৰ ওপৰত ভিত্তি কৰি ত্ৰ মান্বয়ে যুৰীয়া কাৰ্য দিব পাৰে, তাৰ ৰেকৰ্ড ৰাখি যাব।
- আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীক যুৰীয়া কাৰ্যৰ পৰা হ'ব পৰা লাভালাভৰ বিষয়ে জনাওঁক। পৰিয়াল বা সমাজৰ পৰা সহযোগী মনোভাৱেৰে কাম কৰাৰ উদাহৰণ দিয়ক।
- আৰম্ভণিৰ কাৰ্য চমু আৰু স্পষ্ট কৰক।
- আপুনি বিচৰাৰ দৰে ছাত্ৰ-ছাত্ৰীয়ে কাম কৰিছেনে নাই তাক নিশ্চিত কৰিবৰ বাবে তেওঁলোকৰ কাম নিৰীক্ষণ কৰক।
- দুজনীয়া ছাত্ৰ-ছাত্ৰীৰ দলৰ মাজত নিয়ম কৰি দিয়ক নতুবা যুৰীয়া দলৰ প্ৰত্যেক গৰাকীকে দায়িত্ব ভগাই দিয়ক। যেনে- এটা কাহিনী বা গল্পৰ দুটা চৰিত্ৰ নাইবা সাধাৰণভাৱে ১ আৰু ২ বা A, B কৈ সজাই দিয়ক। ইজনে সিজনৰ লগ হোৱাৰ আগতেই এই কামটো কৰিব পাৰিলে ভাল হয়। কিয়নো, তেতিয়াহে তেওঁলোকে কথাবোৰ শুনিব।
- ছাত্ৰ-ছাত্ৰীসকল সহজভাৱে ইজনৰ লগত সিজন বহিব পাৰিছেনে নাই মন কৰক।

যুৰীয়া কাৰ্য সমাধানৰ বাবে তেওঁলোকক কিমান সময় দিয়া হৈছে সেইটো ক'বলৈ নাপাহৰিব আৰু কামৰ মাজত সময়ৰ সকিয়নিও দি যাব। যিটো যোৰে ইজনে সিজনক সহায় কৰিছে আৰু কামটোত মনপুতি লাগি আছে তেওঁলোকক প্ৰশংসা কৰিব। নিজাকৈ সমাধান উলিয়াই কামটো পৰিপাটিকৈ শেষ কৰিবলৈ তেওঁলোকক সময় দিব। তেওঁলোকে কি কৰিব পাৰে বা কৰিছে সেয়া ভাবি উলিওৱাৰ আগতেই এনেদৰে সময় দিলে তেওঁলোক বেছি খৰকৈ কামটোত জড়িত হ'ব পাৰে। প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে কথা পতা আৰু কাম কৰাৰ পৰিৱেশ উপভোগ কৰি ভাল পায়। ছাত্ৰ-ছাত্ৰীৰ কথা শুনিবৰ বাবে আৰু পৰ্যবেক্ষণৰ বাবে আপুনি যেতিয়া শ্ৰেণীৰ চাৰিওফালে ঘূৰা-পকা কৰি থাকিব, তেতিয়া কোন ছাত্ৰ-ছাত্ৰী ইজন সিজনৰ লগত যথেষ্ট সহজ সেই কথাটো লিখি থ'ব। যিসকল দলত সহজ হ'ব পৰা নাই তেওঁলোকৰ প্ৰতি সচেতন হ'ব। সকলোৱে কৰা ভুল, ভাল ধাৰণা বা ভাল কিবা কথা যদি তেওঁলোকৰ পৰা ওলাই আহে, সেইবোৰো লিখি ৰাখিব।

কামৰ শেষত ছাত্ৰ-ছাত্ৰীয়ে কি কৰিলে সেইবোৰৰ মাজত সংগতি বিচাৰ কৰি দিয়াত আপোনাৰ ভূমিকা থাকিব। আপুনি কিছুমান যুৰীয়া কাৰ্য নিৰ্বাচন কৰি তেওঁলোকে কৰা কাম দেখুৱাব পাৰে নাইবা তেওঁলোকৰ হৈ আপুনিও তাৰ সাৰাংশ দাঙি ধৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে একেলগে কাম কৰিলে কৃতকাৰ্যতাৰ ভাব এটা অনুভৱ কৰি ভাল পায়। প্ৰতিটো যুৰীয়া কাৰ্যৰে পুনৰ কামৰ খতিয়ান ল'বলৈ গ'লে আপোনাৰ বহুত সময় নষ্ট হ'ব। সেইবাবে এনে নকৰিলেও হয়। কিন্তু আপোনাৰ পৰ্যবেক্ষণত পোৱা ভাল ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত কৰি কামৰ পুনৰালোচনা কৰক। ই অন্যান্য ছাত্ৰ-ছাত্ৰীসকলকো শিকনত সহায় কৰিব। আত্মপ্ৰত্যয় নথকা ছাত্ৰ-ছাত্ৰীকো এনেধৰণৰ কামে আত্মপ্ৰত্যয় বঢ়োৱাত সুযোগ দিয়ে।

আপুনি যদি ছাত্ৰ-ছাত্ৰীক কোনো এটা সমস্যা সমাধান কৰিবলৈ দিয়ে তেন্তে তাৰ এটা সঠিক উত্তৰ আপুনি দিব। উত্তৰ কেনেকৈ ভালদৰে দিব পাৰি তাৰ বিষয়ে আলোচনা কৰিবলৈ দিব। এনে কৰিলে ছাত্ৰ-ছাত্ৰীৰ নিজৰ শিকনৰ বিষয়ে ভবাত সহায় হয় আৰু নিজে কৰা ভুলৰ পৰাই শিকাৰ থল থাকে।

আপুনি যদি যুৰীয়া কাৰ্য কৰোৱাত নতুন, লগতে আপুনি সময় আৰু যুৰীয়া কাৰ্যৰ ক্ষেত্ৰত যদি কিবা পৰিৱৰ্তন আনিব বিচাৰে, লিখি থোৱা ভাল। আপোনাৰ শিক্ষণ পদ্ধতি উন্নত কৰাত আৰু আপুনি কেনেকৈ শিকিব সেইবিষয়ে স্পষ্ট হোৱাত এই কাৰ্যই আপোনাক সহায়

কৰিব। কৃতকাৰ্যতাৰে যুৰীয়া কাৰ্য সংগঠিত কৰাৰ লগত স্পষ্ট নিৰ্দেশনা আৰু সঠিক সময় পৰিচালনাৰ বিষয়টোৰ সম্বন্ধ থাকে। তাৰ লগে লগে সাৰাংশ প্ৰস্তুত কৰাটোও অন্তৰ্নিহিত হৈ থাকে — এই সকলোবোৰেই অনুশীলনৰ ওপৰত নিৰ্ভৰ কৰে।

# Additional resources

- Some helpful websites referring to paired reading:
  - http://www.readingrockets.org/strategies/paired_reading
  - http://www.moray.gov.uk/moray_standard/page_62204.html
- Some helpful websites referring to paired work in the classroom:
  - http://www.teachingenglish.org.uk/language-assistant/primary-tips/working-pairs-groups

# References/bibliography

Glasner, E. and Mahmout, U. (2005) 'Putting paired learning into practice in the primary classroom' (online), University of Newcastle upon Tyne/Campaign for Learning. Available from: http://www.campaign-for-learning.org.uk/cfl/assets/documents/CaseStudies/L2L_cs_fleecefield_ph3.pdf (accessed 18 November 2014).

Jolliffe, W. (2007) *Cooperative Learning in the Classroom: Putting it into Practice*. London: Sage Publications.

# Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.